**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-05-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

::::::::::::::::::::::::::::::::::::

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি অনুষ্ঠিত ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অব্যাহত আছে। বিয়লি ৫ বজা পৰ্যন্ত ৫৬ দশমিক ৬-৮ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। বিহাৰত ৫২ দশমিক ৩-৫ শতাংশ, জম্মু কাশ্মীৰত প্ৰায় ৫৪ দশমিক ২-১ শতাংশ, ঝাৰখণ্ডত ৬১ দশমিক ৯-০ শতাংশ, লাডাখত ৬৭ দশমিক ১-৫ শতাংশ, মহাৰাষ্ট্ৰত ৪৮ দশমিক ৬-৬ শতাংশ, ওড়িশাত ৬০ দশমিক ৫-৫ শতাংশ, উত্তৰ প্ৰদেশত ৫৫ দশমিক ৮-০ শতাংশ, পশ্চিমবংগত ৭৩ শতাংশ ভোটদাতাই ৫ বজালৈকে ভোটদান কৰে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সামৰণি পৰিছে। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ৯৪ হাজাৰ ৭৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ লাখ ৪৭ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। এই পৰ্যায়ত ৮ কোটি ৯৫ লাখ ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৬৯ লাখ পুৰুষ, ৪ কোটি ২৬ লাখ মহিলা আৰু ৫ হাজাৰ ৪০৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱা পানী, ৰেম্প, শৌচালয়, হুইল চেয়াৰ আদি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে। ইপিনে আজি ওড়িশা বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ বাবে অনুষ্ঠিত নিৰ্বচনত ৬০ দশমিক ৫-৪ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি ৫ বজা পৰ্যন্ত তথ্য পোৱা গৈছে।

উল্লেখযোগ্য যে এতিয়ালৈকে ২৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৭৯ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু প্ৰায় ৬৭ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেৰাই আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীক লৈ কৰা কঠোৰ আৰু অশোভনীয় মন্তব্য সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত নেতাগৰাকীয়ে বিজেপি নেতা তথা মুখ্যমন্ত্ৰী শৰ্মাৰ ৰাজহুৱা অনুষ্ঠানত সংবিধান সন্দৰ্ভত কৰা মন্তব্যই তেওঁক উদ্বিগ্ন কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে এই পত্ৰখন তেওঁ এক্স হেণ্ডেলত শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীগৰাকীৰ মন্তব্য দেশৰ হকে প্ৰাণ আহুতি দিয়া মহান সেনানীসকলৰ বাবে অসন্মানজনক বুলি মন্তব্য কৰে।

০০০০০

রে'ল আৰক্ষীয়ে আজি গুৱাহাটী ৰে'ল ষ্টেচনৰ ৪ নম্বৰ প্লেটফৰ্মত অভিযান চলাই মাদক দ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে লোকজনৰ পৰা ৪৮ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সমৰ্থ হয়। আন এটা অভিযানত ৰে'ল আৰক্ষীয়ে গুৱাহাটী ৰে'ল ষ্টেচনত এজন কিশোৰৰ পৰা ৬ কিলোগ্ৰাম ভাং জব্দ কৰে। গুৱাহাটীৰ পৰা বেংগালুৰু অভিমুখী ৰে'লত উঠিবলৈ লোৱাৰ সময়তে কিশোৰজনৰ পৰা ভাংখিনি জব্দ কৰা হয়।

০০০০০

গোলাঘাট জিলাৰ বোকাখাটত অহা ২৩ মে'ৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হ'ব। বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ লক্ষ্যৰে জ্ঞান-বিজ্ঞান সমিতি অসমৰ উদ্যোগত এই সমাৰোহৰ আয়োজন কৰা হৈছে। শিশুৰ শাৰীৰিক-মানসিক, বৌদ্ধিক সৃজনীশীলতা, সামাজিক, সামূহিক কাম কৰাৰ কৌশল বিকাশ কৰাৰ  উদ্দেশ্যেৰে প্ৰতি বছৰে এই সমাৰোহৰ আয়োজন কৰা হয়। ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই সমাৰোহত অংক, বিজ্ঞান, পৰিৱেশ, জ্যোতিৰ্বিজ্ঞান, গীত-নাট আদি আমোদ আৰু খেলৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হয়। প্ৰয়াত বিজ্ঞান ড০ পদ্মেশ্বৰ গগৈ আৰু পদ্মশ্ৰী বীৰুবালা ৰাভা সোঁৰৰণী এই সমাৰোহখনত গ্ৰন্থমেলা আৰু বোকাখাটৰ যুৱ বিজ্ঞানী তথা প্ৰকৃতিপ্ৰেমীসকলৰ কৰ্মৰাজীৰ প্ৰদৰ্শনী আয়োজন কৰা হৈছে। চাৰিটা শিকন কোণৰ উপৰি অন্ধবিশ্বাস দূৰীকৰণ সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰিছে। সমাৰোহত শান্তি স্বৰূপ ভাটনাগৰ পুৰস্কাৰ প্ৰাপ্ত বিজ্ঞানী বিনয় কুমাৰ শইকীয়াই শিশুসকলৰ সৈতে মত বিনিময় কৰিব। শিশুসকলৰ সাংস্কৃতিক অনুষ্ঠানেৰে অহা ২৫ মে'ত এই সমাৰোহৰ অন্ত পৰিব।

০০০০০

বিভিন্ন কাৰণত বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীসকলক পুনৰ বিদ্যালয়লৈ প্ৰত্যাৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। **পাঠ আমি পঢ়িমেই, দেশ আমি গঢ়িমেই** শীৰ্ষক শ্লোগানেৰে সমবায় সমিতিখনে অভিযানৰ অংশ হিচাপে ইতিমধ্যে ৩০ গৰাকী শিক্ষাৰ্থীক বিনামূলীয়া শিক্ষা প্ৰদান কৰিছে। বৃত্তিগত গো সেৱাৰ শতবৰ্ষত পদাৰ্পন কৰাৰ সময়ত সীতাজখলাৰ কৰ্তৃপক্ষই শৈক্ষিক সজাগতা অভিযান আৰম্ভ কৰিছে। মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই আজি শিক্ষা দান শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰি সমবায় সমিতিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০

ঃসমাপ্তঃ